# বনেচৰৰ উক্তিৰ সাৰাংশ

মহাকবি ভাৰৱি বিৰচিত "কিৰাতাৰ্জুনীয়ম্" মহাকাব্যৰ প্ৰথম সৰ্গত বনেচৰৰ উক্তি পোৱা যায়। যুধিষ্ঠিৰৰ প্ৰতি তেওঁৰ দ্বাৰাই নিযুক্ত বনেচৰৰ উক্তিসমূহৰ চমু বিৱৰণ তলত দাঙি ধৰা হ'ল—

পাশা খেলত পৰাস্ত হৈ পঞ্চপাণ্ডৱে দ্ৰৌপদীৰ সৈতে বনবাসলৈ যায়। এই বনবাসকালতে তেওঁলোকে দ্বৈতবনত বাস কৰে। দ্বৈতবনত বাস কৰাৰ সময়তে দুৰ্যোধনৰ ৰাজ্যশাসন পদ্ধতিৰ বিষয়ে জানিবলৈ যুধিষ্ঠিৰে এজন বনেচৰক গুপ্তচৰৰূপে হস্তিনাপুৰলৈ প্ৰেৰণ কৰে। বনেচৰজনে ব্ৰহ্মচাৰী বেশ ধাৰণ কৰি দুৰ্যোধনৰ সকলো বৃত্তান্ত সংগ্ৰহ কৰি যুধিষ্ঠিৰৰ ওচৰত সেইবোৰ ব্যক্ত কৰেহি।

কৰ্মত নিযুক্ত ভৃত্য বা অনুচৰে তেওঁৰ গৰাকীক বঞ্চনা কৰা অনুচিত। সেয়েহে বনেচৰৰ মতে তেওঁৰ বচন অপ্ৰিয় হ'লেও যেন যুধিষ্ঠিৰে ক্ষমা কৰি দিয়ে। কিয়নো হিতকৰ অথচ প্ৰিয়বাক্য জগতত বিৰল। যুধিষ্ঠিৰ বনবাসী হ'লেও তেওঁৰ ওচৰত পৰাজয়ৰ আশংকা কৰি দুৰ্যোধনে নীতিশাস্ত্ৰ অনুসৰি ৰাজ্য শাসন কৰিছে। তেওঁ কাম, ক্ৰোধ আদি ৰিপুসমূহক বশীভূত কৰি দিনে ৰাতিয়ে নীতি সন্মতভাৱে কাৰ্য সম্পাদন কৰিছে। তেওঁ নিৰহংকাৰ হৈ অনুচৰ সকলৰ প্ৰতি বন্ধুসুলভ আচৰণ আৰু বন্ধুসকলৰ প্ৰতি নিজৰ আত্মীয়ৰ দৰে আচৰণ প্ৰদৰ্শন কৰিছে। সন্মান, শ্ৰদ্ধা আৰু বিবেচনাৰে তেওঁ ধৰ্ম, অৰ্থ আৰু কাম— এই ত্ৰিবৰ্গৰ সেৱা সাধন কৰিছে। দুৰ্যোধনে অত্যন্ত বিচক্ষণতাৰে সাম আৰু দান নীতিৰ প্ৰয়োগ কৰিছে। শত্ৰু-মিত্ৰৰ ভেদজ্ঞান নকৰি বিধি অনুসৰি অপৰাধীক দণ্ড দিয়ে। নিজৰ ৰাজ্য আৰু পৰৰাজ্যত সকলোতে বিশ্বাসী অনুচৰসকলক নিয়োগ কৰিছে। কৰ্ম শেষ হোৱাৰ পিছত কৃতজ্ঞতাৰ চিন স্বৰূপে তেওঁলোকক পুৰস্কাৰ, উপহাৰ আদি দান কৰে। দুৰ্যোধনে সদায় মঙ্গলানুষ্ঠান কৰাৰ বাবে সমগ্ৰ কুৰু ৰাজ্য শস্য সমৃদ্ধ হৈছে। মহাবলশালী ধনুৰ্ধাৰীসকল

তেওঁৰ গুণত আকৃষ্ট হৈ নিজৰ প্ৰাণৰ বিনিময়তো ৰজাৰ প্ৰিয়কাৰ্য্য কৰিবলৈ সদায় প্ৰস্তুত থাকে। তেওঁ অন্যান্য ৰজাসকলৰ লগত কেতিয়াও যুদ্ধ নকৰে বা কাৰো প্ৰতি কুটিল অথবা ক্ৰোধপূৰ্ণ দৃষ্টিও নিক্ষেপ নকৰে। তথাপি তেওঁলোকে তেওঁৰ আদেশ শ্ৰদ্ধাৰে পালন কৰে। এনে দুৰ্যোধনে সম্প্ৰতি দুঃশাসনক যুৱৰাজৰ পদত অভিষিক্ত কৰি নিজে দিনে-ৰাতিয়ে যাগযজ্ঞ আদি কৰি আছে।

কিন্তু দুৰ্যোধনে এনেদৰে এখন শত্ৰুহীন, সুস্থিৰ, সমুদ্ৰলৈকে বিস্তৃত ভূভাগ শাসন কৰিলেও তেওঁ যুধিষ্ঠিৰৰ ওচৰত পৰাজয়ৰ আশংকা কৰি থাকে। কথা প্ৰসঙ্গত যুধিষ্ঠিৰৰ নাম শুনিলে অৰ্জুনৰ পৰাক্ৰমৰ কথা চিন্তা কৰি কষ্ট ভোগ কৰে।

এনে কপট দুৰ্যোধনৰ প্ৰতি যুধিষ্ঠিৰে যথাশীঘ্ৰে যথোচিত ব্যৱস্থা গ্ৰহণ কৰা উচিত। এনেদৰে সেই বনেচৰে দুৰ্যোধনৰ শাসন প্ৰণালীৰ বিষয়ে যুধিষ্ঠিৰক সবিস্তাৰে ব্যক্ত কৰিলে।

## দ্ৰৌপদীৰ উক্তিৰ সাৰাংশ

মহাকবি ভাৰৱি ৰচিত "কিৰাতাৰ্জুনীয়ম্" মহাকাব্যৰ প্ৰথম সৰ্গৰ আৰম্ভণিতে যুধিষ্ঠিৰৰ দ্বাৰা নিয়োজিত বনেচৰৰ বক্তব্য পোৱা যায়। এই বনেচৰৰ পৰা দুৰ্যোধনৰ ৰাজ্য শাসন পদ্ধতিৰ বিষয়ে শুনি যুধিষ্ঠিৰে এই সকলো কথা নিজৰ ভাতৃ আৰু পত্নী দ্ৰৌপদীক জনালে। তেতিয়া, দ্ৰৌপদীয়ে নিজৰ আবেগক দমন কৰিব নোৱাৰি পুনৰ যুধিষ্ঠিৰক ৰাজোচিত গুণ আয়ত্ত কৰিবলৈ যুক্তিসংগত কথাৰে নিম্নলিখিত বক্তব্যৰাজি আগবঢ়ায়।

দ্ৰৌপদীৰ মতে যুধিষ্ঠিৰৰ দৰে বিদগ্ধ পুৰুষক তেওঁৰ দৰে নাৰীয়ে উপদেশ দিয়াটো তিৰস্কাৰ সদৃশ। তথাপি মানসিক যন্ত্ৰনাত অস্থিৰ হৈয়ে এইদৰে ক'বলৈ বাধ্য হৈছে। ইন্দ্ৰতুল্য প্ৰভাৱেৰে যুধিষ্ঠিৰে ৰাজ্য শাসন কৰিছিল। কিন্তু এতিয়া যুধিষ্ঠিৰে সেই ৰাজ্যকে শত্ৰুৰ হাতত তুলি দিছে। কপটৰ লগত কপট আচৰণ নকৰিলে পৰাজয় বৰণ কৰিবলগীয়া হয়। তদুপৰি যিজনে নিজৰ শুভাকাংক্ষীসকলৰ সহায় লাভ কৰিও পৰাজয় বৰণ কৰে, তেওঁ বংশ গৌৰৱো নাশ কৰে। আচৰিত কথা যে এনে নিন্দাজনক পৰিস্থিতিতো যুধিষ্ঠিৰৰ ক্ৰোধ উদ্দীপিত হোৱা নাই। দ্ৰৌপদীৰ মতে যিজন ক্ৰোধহীন, তেওঁ স্নেহশীল হ'লেও মানুহে আদৰ নকৰে।

দ্ৰৌপদীয়ে পুনৰ কয় যে যিজন ভীমে পূৰ্বতে ৰঙাচন্দনেৰে অংগ ৰাগ কৰিছিল, তেওঁ এতিয়া ধূলি ধূসৰিত হৈ পৰ্বতে পৰ্বতে শুদা ভৰিৰে বিচৰণ কৰে। ইন্দ্ৰতুল্য অৰ্জুনে এসময়ত উত্তৰকুৰুদেশ জয় কৰি যুধিষ্ঠিৰক বহু ধন-সম্পদ আনি দিছিল। এতিয়া সেই অৰ্জুনে তেওঁৰ বাবেই বল্কল আহৰণ কৰে। এনে অৱস্থাটো যুধিষ্ঠিৰৰ মনত ক্ৰোধৰ ভাব সৃষ্টি হোৱা নাই। তেনেদৰে নকুল আৰু সহদেৱৰ অৱস্থাও তথৈবচ। বনৰ মাটিত শোৱা বাবে তেওঁলোকৰ শৰীৰ কঠিন হৈ পৰিছে। আউল-বাউল চুলিৰে তেওঁলোক দুয়োজনকে বনৰীয়া হাতীৰ দৰে দেখা গৈছে। এওঁলোকৰ এনে দুৰৱস্থা দেখিও কিন্তু যুধিষ্ঠিৰৰ মন বিচলিত হোৱা নাই।

দ্ৰৌপদীয়ে যুধিষ্ঠিৰক সোঁৱৰাই দিয়ে যে পূৰ্বতে তেওঁ মূল্যৱান শয্যাত শুই চাৰণ কবিসকলৰ মঙ্গলময় স্তুতিগীত শুনি সাৰ পাইছিল। কিন্তু এতিয়া অমঙ্গলজনক শিয়ালৰ চিঞৰত সাৰ পায়। তেওঁলোকৰ এনে দুখজনক অৱস্থাৰ একমাত্ৰ কাৰণ তেওঁলোকৰ শত্ৰু দুৰ্যোধন। সেয়েহে দ্ৰৌপদীয়ে শত্ৰুনাশৰ বাবে মুনিবৃত্তি ত্যাগ কৰি যুধিষ্ঠিৰক ক্ষত্ৰিয় তেজ ধাৰণ কৰিবলৈ অনুৰোধ জনাইছে। দ্ৰৌপদীয়ে যুধিষ্ঠিৰক তেওঁৰ তৎকাল কৰ্তব্য সম্পৰ্কেও নিৰ্দেশ দিছে। শত্ৰুসকলে যিহেতু সদায় অনিষ্ট কৰিবলৈকে তৎপৰ হৈ আছে, সেয়েহে তেওঁ পূৰ্বতে কৰা প্ৰতিজ্ঞা পালন কৰা অনুচিত। মিছাতে সময় নষ্ট নকৰি বিজয়াভিলাষী ৰজাৰ দৰে শত্ৰুসকলৰ কোনো এটা ভুল দেখুৱাই ছলনা কৰি সন্ধিভংগ কৰা উচিত। এনেদৰে দ্ৰৌপদীয়ে বিভিন্ন উৎসাহজনক কথাৰে শত্ৰুপক্ষৰ প্ৰতি যুধিষ্ঠিৰৰ ক্ৰোধ বঢ়াব বিচাৰিছিল।

## দুৰ্যোধনৰ ৰাজ্যশাসন পদ্ধতি

মহাকবি ভাৰৱি ৰচিত 'কিৰাতাৰ্জুনীয়ম্' মহাকাব্যৰ প্ৰথমসৰ্গত যুধিষ্ঠিৰৰ দ্বাৰা নিয়োজিত বনেচৰৰ উক্তিৰ মাধ্যমেৰে  দুৰ্যোধনৰ ৰাজ্যশাসন পদ্ধতিৰ বিষয়ে জানিব পাৰি। ব্ৰহ্মচাৰীবেশধাৰী বনেচৰে যুধিষ্ঠিৰৰ নিৰ্দেশ মৰ্মে দুৰ্যোধনৰ ৰাজ্যশাসন পদ্ধতিৰ বিষয়ে সমস্তখিনি জানি আহি যুধিষ্ঠিৰৰ আগত সকলোখিনি নিবেদন কৰিছিল। বনেচৰৰ বিৱৰণৰ পৰা জনা যায় যে দুৰ্যোধনে এজন আদৰ্শ ৰজাৰ দৰেই প্ৰজাপালন কৰি আছে। বনেচৰৰ বক্তব্যৰ সংক্ষিপ্তসাৰ এনেধৰণৰ—

দুৰ্যোধনে কপট পাশাখেলৰ দ্বাৰা পাণ্ডৱসকলক পৰাস্ত কৰি ৰাজ্য লাভ

কৰে। সেয়েহে প্ৰজাসকলৰ মনত তেওঁৰ প্ৰতি বিৰাগ ভাৱ জন্মিছিল। সেই ভাৱ আতৰোৱাৰ বাবে তেওঁ সম্পূৰ্ণ নীতি অনুসৰি ৰাজ্যশাসন কৰিছে। সেই উদ্দেশ্য আগত ৰাখিয়েই দুৰ্যোধনে কাম আদি ছয় ৰিপুক দমন কৰি জিতেন্দ্ৰিয় পুৰুষৰূপে পৰিচয় লাভ কৰাৰ চেষ্টা কৰিছে। তেওঁ পুৰুষকাৰক অৱলম্বন কৰি ভৃত্যসকলৰ প্ৰতি বন্ধুৰ দৰে, বন্ধুসকলৰ প্ৰতি আত্মীয়ৰ দৰে আৰু আত্মীয়সকলৰ প্ৰতি নিজৰ দৰে ব্যৱহাৰ কৰি নিজে নিৰহঙ্কাৰীৰ দৰে অৱস্থান কৰিছে। দুৰ্যোধনৰ এনে আচৰণে ভৃত্যসকল আৰু জনসাধাৰণক বিশ্বস্ত কৰি তুলিছে। ফলত তেওঁৰ প্ৰভূত্ব বিলুপ্ত হোৱাৰ আশংকাও নাইকিয়া হৈ আহিছে।

দুৰ্যোধনে ৰাজ্যশাসন পদ্ধতিত সাম-দান-দণ্ড-ভেদ নীতিৰ সুস্থ প্ৰয়োগ কৰি আছে। কাৰণ এই নীতিসমূহৰ প্ৰয়োগতে ৰজাৰ যোগ্যতা প্ৰকাশিত হয়। বনেচৰৰ মতে এইক্ষেত্ৰত দুৰ্যোধন কৃতকাৰ্য্যও হৈছে। তেওঁ দান অবিহনে সামনীতিৰ প্ৰয়োগ নকৰে, আকৌ সৎপাতহে দান কৰে। ইয়াৰ ফলত দেশৰ জ্ঞানী-গুণী-মান্য ব্যক্তিসকল যথাযোগ্য অৰ্থ আৰু সন্মানেৰে ভূষিত হয়। ফলত প্ৰজাসকলৰ মাজত দুৰ্যোধনৰ প্ৰতি ৰাজানুৰাগ সঞ্চাৰিত হৈছে নীতিশাস্ত্ৰতো কোৱা আছে যে—

লুব্ধমৰ্থেন গৃহ্ণীয়াৎ সাধুমঞ্জলিকৰ্মণা।
মূৰ্খং ছন্দানুৰোধেন তত্ত্বাৰ্থেন চ পণ্ডিতম্।।

দণ্ডনীতিৰ প্ৰয়োগৰ ক্ষেত্ৰটো দুৰ্যোধনৰ প্ৰজা-পালন নীতি অত্যন্ত স্বচ্ছ। অৰ্থ লোভ বা ক্ৰোধ বশতঃ দণ্ডনীতি প্ৰয়োগ কৰি তেওঁ প্ৰজাসকলক বিব্ৰত কৰি কেতিয়াও প্ৰজাৰ বিৰাগভাজন হোৱাৰ পথ অৱলম্বন কৰা নাই। বৰঞ্চ তেওঁ অপৰাধ দমন কৰাৰ বাবে শত্ৰু-মিত্ৰ বিচাৰ নকৰাকৈ সমভাৱেই দণ্ডনীতিৰ প্ৰয়োগ কৰে। তেওঁ ক্ষত্ৰিয়ধৰ্মক স্মৰণ কৰি পুত্ৰ, মিত্ৰ যিয়েই নহওঁক কিয়, দণ্ডনীয় জনৰ ওপৰত সমানে দণ্ডনীতিৰ প্ৰয়োগ কৰে। দুৰ্যোধনৰ দণ্ডনীতি প্ৰয়োগ সম্পৰ্কে বনেচৰৰ উক্তি এনেধৰণৰ—

বসূনি বাঞ্ছন্ন বশী ন মন্যুনা
স্বধৰ্ম ইত্যেব নিবৃত্তকাৰণঃ
গুৰুপদিষ্টেন ৰিপৌ সুতেহপি বা
নিহন্তি দণ্ডেন স ধৰ্মবিপ্লৱম্"

অৰ্থাৎ, "জিতেন্দ্ৰিয় সেই দুৰ্যোধনে অৰ্থলাভৰ ইচ্ছাত বা ক্ৰোধ বশতঃ বা লোভৰ বশৱৰ্তী হৈ দণ্ডনীতিৰ প্ৰয়োগ নকৰে। নিজৰ ধৰ্ম জ্ঞান কৰি শত্ৰুৰ

ওপৰতে হওঁক বা পুত্ৰৰ ওপৰতে হওঁক, গুৰুৱে নিৰ্দ্ধাৰণ কৰি দিয়া দণ্ডনীতিৰ দ্বাৰাহে অধৰ্মক দমন কৰে।"

ভেদনীতি প্ৰয়োগৰ ক্ষেত্ৰটো দুৰ্যোধন যুধিষ্ঠিৰ সমানেই দক্ষ। তেওঁ সৎ চৰিত্ৰবান, ইঙ্গিতজ্ঞ আৰু ভেদকুশল চোৰাংচোৱাসকলক পৰৰাষ্ট্ৰত নিয়োগ কৰিছিল। তেওঁলোকৰ জৰিয়তে প্ৰতিপক্ষৰ ৰজাসকলৰ ছিদ্ৰবোৰ জানি লৈ ভীত হৈয়ো নিৰ্ভীকৰ দৰে অৱস্থান কৰিছিল। দুৰ্যোধনে তেওঁৰ এই উপায়সমূহ প্ৰয়োগৰ বাবে যথাযথ ফল লাভো কৰিছিল। যেনেদৰে সকলো ৰজাই তেওঁৰ বশ্যতা স্বীকাৰ কৰি নিজৰ প্ৰাণৰ বিনিময়তো দুৰ্যোধনৰ কাৰ্য্যসমূহ সম্পাদন কৰিছিল। তেওঁলোকে প্ৰচুৰ হস্তী-ৰথ আদি দানেৰে নিজৰ বশ্যতাৰ নিদৰ্শন দিছিল।

বনেচৰৰ বক্তব্যৰ পৰা জনা যায় যে দুৰ্যোধনে প্ৰজাসকলৰ সুখ-সমৃদ্ধিৰ বাবে সকলো প্ৰকাৰৰ চেষ্টা অব্যাহত ৰাখিছিল। ৰাজ্যত কৃষিকাৰ্য্য যাতে সকলো সময়তে সফল হয় সেই উদ্দেশ্যেৰে তেওঁ অনেক নদী, খাল-বিল আদি জলাধাৰ নিৰ্মাণ কৰিছিল। ফলত কুৰুদেশ নদীমাতৃক দেশলৈ যেন ৰূপান্তৰিত হৈছিল। দুৰ্যোধনৰ গুণত আকৃষ্ট হৈ সকলো নগৰবাসী আৰু ৰজাসকলে তেওঁৰ বন্ধুত্ব লাভ কৰিছিল। দুৰ্যোধন অতি ধৰ্মপৰায়ণ আছিল। তেওঁ দুঃশাসনক যুৱৰাজ পদত অভিষিক্ত কৰি নিজে সদায় যজ্ঞানুষ্ঠানত ৰত আছিল।

এনেদৰেই বনেচৰৰ উক্তিৰ মাধ্যমেৰে দুৰ্যোধনৰ ৰাজ্যশাসন পদ্ধতিৰ বিষয়ে জানিব পাৰি।

## প্ৰথম সৰ্গৰ কেইটামান মহত্বপূৰ্ণ শ্লোকৰ ব্যাখ্যা

১। **কৃত প্ৰণামস্য মহীং মহীভূজে জিতাং সপত্নেন নিৱেদয়িষ্যতঃ।**
**ন ৱিব্যথে তস্য মনো ন হি প্ৰিয়ং প্ৰৱক্তুমিচ্ছন্তি মৃষা হিতৈষিনঃ।।**

মহাকবি ভাৰৱি বিৰচিত 'কিৰাতাৰ্জুনীয়ম্' মহাকাব্যৰ প্ৰথম সৰ্গৰ পৰা এই শ্লোকটি উদ্ধৃত কৰা হৈছে।

যুধিষ্ঠিৰ কৌৰৱৰ লগত কপট পাশাখেলত পৰাস্ত হয়। ফলত বাৰ বছৰ বনবাস আৰু এক বছৰ অজ্ঞাতবাসলৈ যাবলগীয়া হয়। ৰাজ্য হেৰুৱাই বনবাস কালত যুধিষ্ঠিৰে সপৰিবাৰে দ্বৈতবনত বাস কৰিছিল। সেই সময়তে ভৱিষ্যতে ৰাজ্য শাসন কৰাৰ আশাত যুধিষ্ঠিৰে গুপ্তচৰ হিচাপে এজন বনেচৰক নিয়োগ

কৰিছিল। সেই বনেচৰে দুৰ্যোধনৰ ৰাজ্য শাসন প্ৰণালীৰ বিষয়ে জানি আহি শত্ৰু ৰাজ্যৰ সকলো বৃত্তান্ত যুধিষ্ঠিৰক জনাইছিল।

বনেচৰে দুৰ্যোধনৰ ৰাজ্য শাসন সম্পৰ্কে যিবোৰ কথা কৈছিল, সেইবোৰ যুধিষ্ঠিৰৰ বাবে শুনাত বৰ সুখৰ নাছিল। তথাপি বনেচৰে যুধিষ্ঠিৰক ভাল লগাবলৈকে কোনো মিছা কথা নকৈ সকলো সঁচা কথা ক'বলৈকে প্ৰস্তুত হৈছিল।

বনেচৰৰ এই প্ৰবৃত্তিক সমৰ্থন জনাই কবি ভাৰবিয়ে কৈছে যে যিসকল প্ৰকৃততে শুভাকাঙ্খী, তেওঁলোকে কেতিয়াও মিছা প্ৰিয় কথা নকয়। কাৰণ মিছাই প্ৰকৃত সত্যক গোপন কৰে। অপ্ৰিয় হ'লেও মানুহে সদায় সত্যটোহে প্ৰকাশ কৰা উচিত। কাৰণ মিছাই মানুহক ভৱিষ্যতে বিপদলৈহে ঠেলি দিয়ে। সেয়েহে প্ৰকৃত শুভাকাঙ্খীসকলে অপ্ৰিয় হ'লেও সত্যক গোপন কৰি মিছা কোৱা উচিত নহয়।

২। **তথাপি জিহ্মঃ স ভৱজ্জিগীষয়া তনোতি শুভ্ৰং গুণসম্পদা যশঃ**
**সমুন্নয়ন্ ভূতিমনাৰ্য সঙ্গমাদ্ ৱৰং ৱিৰোধোহপি সমং মহাত্মভিঃ।।**

এই শ্লোকফাঁকি মহাকবি ভাৰৱি ৰচিত 'কিৰাতাৰ্জুনীয়ম্' মহাকাব্যৰ প্ৰথম সৰ্গৰ পৰা তুলি দিয়া হৈছে। যুধিষ্ঠিৰৰ প্ৰতি বনেচৰৰ উক্তিসমূহৰ ভিতৰত অন্যতম উল্লিখিত শ্লোকফাঁকি।

যুধিষ্ঠিৰে দুৰ্যোধনৰ ৰাজ্যশাসন প্ৰণালীৰ বিষয়ে জানিবলৈ এজন বনেচৰ নিয়োগ কৰে। বনেচৰে সকলো জানি আহি যুধিষ্ঠিৰক জনালে যে কপট পাশাখেলত বিজয়ী হৈ ৰাজ্যৰ শাসনভাৰ লৈয়ো কিন্তু দুৰ্যোধন নিশ্চিত মনেৰে থাকিব পৰা নাই। সেয়েহে নিজৰ গুণ-গৰিমাৰে সকলো প্ৰজাৰ মন জয় কৰিবলৈ বিচাৰিছে। কাৰণ তেওঁ জানে যে ৰাজ্যৰ মূল প্ৰজাসকল যুধিষ্ঠিৰৰ গুণমুগ্ধ। দুৰ্যোধনেও বুজিছে যে গুণৰ দৰে অস্ত্ৰ প্ৰয়োগৰ দ্বাৰাহে যুধিষ্ঠিৰক তেওঁ জয় কৰিব পাৰিব। সেইবাবেই ভাল কামেৰে তেওঁ প্ৰজাসকলৰ মন জয় কৰিবলৈ ব্ৰতী হৈছে।

কপট দুৰ্যোধনৰ এনে সৎ প্ৰচেষ্টাৰ কাৰণ বুজাবলৈ গৈ কবিয়ে কৈছে যে উন্নতি কামনা কৰিলে নীচলোকৰ লগত বন্ধুত্ব কৰাতকৈ মহৎলোকৰ লগত শত্ৰুতা কৰাটোৱে ভাল। মহৎলোকসকল সৎ গুণেৰে পৰিপূৰ্ণ হয়। তেওঁলোকক জয় কৰিবলৈ হ'লে তেওঁলোকৰ সমকক্ষ হ'ব লাগিব আৰু তেওঁলোকৰ

সমকক্ষ হ'বলৈ হ'লে তেওঁলোকৰ দৰে সৎ গুণৰ অধিকাৰী হ'ব লাগিব। ফলত এজন লোকৰ সৎ গুণসমূহ বৃদ্ধি প্ৰাপ্ত হয়। কিন্তু নীচলোকৰ লগত বন্ধুত্ব কৰিলে বেয়া গুণবোৰহে বাঢ়ে। সেইবাবেই উন্নতিকামী সকলে সদায় গুণবানসকলৰ লগত প্ৰতিদ্বন্দ্বিতা হোৱাটো বিচাৰে। বনেচৰৰ মতে দুৰ্যোধনেও এই পথকে অৱলম্বন কৰিছে আৰু নিজৰ সৎগুণাৱলী বিস্তাৰ কৰিবলৈ চেষ্টা কৰিছে।

৩। **প্ৰলীনভূপালমপি স্থিৰায়তি প্ৰশাসদাৱাৰিধি মণ্ডলং ভুৱঃ।**
**স চিন্তয়ত্যেৱ ভিয়স্ত্ৱদেয্যত্তীৰহো দুৰন্তা বলৱদ্ ৱিৰোধিতা।।**

এই শ্লোকফাঁকি ভাৰৱি বিৰচিত 'কিৰাতাৰ্জুনীয়ম্' মহাকাব্যৰ প্ৰথম সৰ্গৰ পৰা তুলি দিয়া হৈছে। ইয়াত বনেচৰে যুধিষ্ঠিৰক কৈছে যে দুৰ্যোধনে ৰাজ্যৰ শাসন ভাৰ নিজৰ হাতত লৈয়ো যুধিষ্ঠিৰৰ পৰা বিপদৰ আশঙ্কাত সদায় ভীত হৈ থাকে।

দুৰ্যোধনে ছলনাৰে পাশাখেলত যুধিষ্ঠিৰক পৰাজিত কৰি ৰাজ্যৰ শাসনভাৰ নিজৰ হাতলৈ নিয়ে। সাগৰলৈকে বিস্তৃত ভূখণ্ডৰ একছত্ৰী ৰজা হৈয়ো কিন্তু তেওঁ শঙ্কাহীনভাৱে সময় কটাব পৰা নাই। সদায় তেওঁ যুধিষ্ঠিৰৰ পৰা বিপদৰ আশঙ্কা কৰি থাকে। বনবাসত নিৰ্দিষ্ট সময় কটোৱাৰ পিছত পুনৰ যুধিষ্ঠিৰ সপৰিবাৰে নিজ ৰাজ্যলৈ উভতি যাব। তেওঁৰ প্ৰজাসকল আকৌ যুধিষ্ঠিৰৰ প্ৰতি অনুৰক্ত হৈ পৰিব— এই শংকাই অনবৰতে দুৰ্যোধনৰ মনত ক্ৰিয়া কৰি থাকে। সেইবাবেই কোৱা হয় যে বলবানজনৰ লগত বিৰোধ হ'লে কেতিয়াও নিশ্চিন্ত মনে থাকিব নোৱাৰি। তেওঁ মৰণতুল্য দুখ অনুভৱ কৰি থাকে। বলবানজনৰ পৰা আহিব পৰা বিপদৰ আশংকা কৰি শান্তিত দিন কটাব নোৱাৰে। উল্লিখিত শ্লোকৰ দ্বাৰা বনেচৰে ক'ব বিচাৰিছে যে দুৰ্যোধনতকৈ যুধিষ্ঠিৰ অধিক বলবান আৰু শক্তিশালী।

৪। **ব্ৰজন্তি তে মূঢ়ধিয়ঃ পৰাভৱং ভৱন্তি মায়াৱিষু।**
**যে ন মায়িনঃ।**
**প্ৰৱিশ্য হি ঘ্নন্তি শঠাস্তথাৱিধান্ অসংবৃতাঙ্গান্**
**নিশিতা ইৱেষৱঃ।।**

ভাৰৱি বিৰচিত 'কিৰাতাৰ্জুনীয়ম্' কাব্যৰ প্ৰথম সৰ্গৰ পৰা এই শ্লোকটি তুলি

দিয়া হৈছে। শ্লোকফাঁকি দ্ৰৌপদীয়ে যুধিষ্ঠিৰৰ আগত ব্যক্ত কৰিছে এই শ্লোকফাঁকিৰ দ্বাৰা দ্ৰৌপদীয়ে পাণ্ডৱসকলৰ দুৰৱস্থাৰ বাবে যুধিষ্ঠিৰকে দোষাৰোপ কৰিছে। লগতে কুটিল ব্যক্তিৰ স্বভাৱ সম্পৰ্কেও যুধিষ্ঠিৰক সাৱধান কৰি দিবলৈ বিচাৰিছে।

দুৰ্যোধন এজন কুটিল ব্যক্তি। গতিকে তেওঁৰ লগতো কুটিল আচৰণেই কৰা উচিত। কাৰণ কুটিলৰ লগত কুটিল ব্যৱহাৰ নকৰাটো বুদ্ধিহীনৰ পৰিচয়। এনে ব্যৱহাৰ নকৰিলে সৎলোকসকল কুটিল ব্যক্তিৰ দ্বাৰা বিপদত পৰিব পাৰে। দ্ৰৌপদীয়ে এই নীতি বাক্যটি সহজভাৱে বুজোৱাৰ বাবে এটা উপমাৰ আশ্ৰয় লৈছে। তেওঁ কৈছে যে এজন যোদ্ধাই যদি যুদ্ধ কৰোতে নিজৰ শৰীৰটো বৰ্মৰ দ্বাৰা আবৃত কৰি নলয় তেনেহ'লে তীক্ষ্ণ বাণবোৰে যোদ্ধাজনক ক্ষত-বিক্ষত কৰি পেলাব। সেইদৰে কুটিল ব্যক্তিয়েও সাধু বা সৎলোকক অনিষ্ট কৰে। গতিকে কুটিল দুৰ্যোধনৰ প্ৰতি যুধিষ্ঠিৰেও কুটিল আচৰণ কৰা উচিত, এয়ে দ্ৰৌপদীৰ অভিপ্ৰায়।

৫। অৱন্ধ্যকোপস্য ৰিহন্তুৰাপদং
ভৱন্তি ৰশ্যাঃ স্বয়মেৱ দেহিনঃ।
অমৰ্ষশূন্যেন জনস্য জন্তুনা
ন জাত হাৰ্দেন ন ৰিদ্বিষাদৰঃ।।

আলোচ্য শ্লোকটি মহাকবি ভাৰৱি বিৰচিত 'কিৰাতাৰ্জুনীয়ম্" মহাকাব্যৰ প্ৰথম সৰ্গৰ পৰা উদ্ধৃত কৰা হৈছে। এই শ্লোকফাঁকি দ্ৰৌপদীয়ে যুধিষ্ঠিৰক কৈছে।

এই শ্লোকটিৰ দ্বাৰা দ্ৰৌপদীয়ে শত্ৰুৰ দ্বাৰা হোৱা দুৰৱস্থাৰ বাবে যুধিষ্ঠিৰকে দোষাৰোপ কৰিছে। লগতে যুধিষ্ঠিৰক সুপ্ত ক্ৰোধ পুনৰ জাগৰিত কৰিব বিচাৰিছে।

যুধিষ্ঠিৰ জিতেন্দ্ৰিয় পুৰুষ। তেওঁ কেতিয়াও কাম-ক্ৰোধ আদিৰ বশৱৰ্তী হৈ কাম নকৰে। অৱশ্যে কাম-ক্ৰোধ আদিৰ বশৱৰ্তী হোৱা উচিতো নহয়। কিন্তু এইবোৰ দেহধাৰী ব্যক্তিৰ শৰীৰত নথকাটোও শুভ লক্ষণ নহয়। বিশেষকৈ এজন ৰজাৰ পক্ষে ক্ৰোধ এটি বিশেষ সহায়। যিজনে ক্ৰোধিত হৈ অপকাৰীৰ ক্ষতি কৰিব পাৰে, তেনে তেজস্বী ব্যক্তিক সকলোৱে সমীহ কৰে। তেনে ব্যক্তিৰ ওচৰত সকলোৱে বশ্যতা স্বীকাৰ কৰে। যং নথকা মানুহক কোনেও

সমাদৰ নকৰে। যি ৰজাই স্নেহ বা মিত্রতা প্রদর্শন কৰে, তেনে ৰজাৰ স্নেহ বা মিত্রতাও নিষ্ফল হয়। ক্রোধহীন ব্যক্তি শত্রু হ'লেও মানুহে ভয় নকৰে। সেইবাবেই দ্রৌপদীয়ে কৈছে যে শত্রুৰ প্রতি যুধিষ্ঠিৰে ক্রোধ প্রকাশ কৰা উচিত। পিছত আন আন ৰজাসকলৰ আনুগত্য লাভ কৰাৰ বাবেও যুধিষ্ঠিৰে অতি শীঘ্রে নিজৰ বীৰত্ব প্রকাশ কৰি শত্রুৰ বিৰুদ্ধে যুদ্ধ ঘোষণা কৰিব লাগে। এয়ে হৈছে দ্রৌপদীৰ মূল অভিপ্রায়।